Volume: 4 Issue: 11 Pages: 154-156




# অসমৰ পাহাৰীয়া কাৰ্বিসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত থলুৱা চিকিৎসা পদ্ধতি: এটি বিশ্লেষণ

*[1] **কবিতা বৰদলৈ**

*[1] সহকাৰী অধ্যাপিকা, ৰুকাছেন মহাবিদ্যালয় বকলীয়াঘাট, কাৰ্বি আংলং, অসম, ভাৰত

**Article Info.**
**E-ISSN: 2583-6528**
**Impact Factor (SJIF): 6.876**
**Peer Reviewed Journal**
**Available online:**
**www.alladvancejournal.com**

**Received:** 25/Oct/2025
**Accepted:** 26/Nov/2025

*Corresponding Author
**কবিতা বৰদলৈ**
সহকাৰী অধ্যাপিকা, ৰুকাছেন মহাবিদ্যালয় বকলীয়াঘাট, কাৰ্বি আংলং, অসম, ভাৰত

**Abstract**
অতীজৰে পৰা মানৱ সমাজৰ লগত প্ৰকৃতিৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। এই প্ৰকৃতিৰ সৈতে জড়িত হৈ আছে সমগ্ৰ মানৱ জাতিৰ জীৱনৰ আয়ুসৰেখা। সাধাৰণতে থলুৱা গছ-গছনিৰ পাত, ফল-মূল, শিপা আদিৰ দ্বাৰা বিভিন্ন ৰোগৰ চিকিৎসা কৰি অহা হৈছে। এনে থলুৱা চিকিৎসা পদ্ধতি আমাৰ সমাজত পৰম্পৰাগতভাৱে ইজনৰ পৰা সিজনলৈ মুখ বাগৰি চলি অহা দেখা গৈছে। সাধাৰণতে প্ৰাকৃতিক পদ্ধতিৰে ৰোগ নিৰাময় কৰা লোকসকলক আমাৰ সমাজত বেজ বা ওজা নামেৰে নামাঙ্কিত কৰা হয়। এনে বেজ বা ওজাসকলৰ বন দৰৱে মানুহৰ জীৱনশৈলীকো নিয়ন্ত্ৰণ কৰি আহিছে। মানুহৰ জন্মৰে পৰা মৃত্যু পৰ্যন্ত বিভিন্ন বেমাৰ আজাৰ আদিকে ধৰি প্ৰতিটো বিষয়ৰ লগত বিশ্বাস আৰু অভি জ্ঞতালব্ধ জ্ঞান জড়িত হৈ আছে। অসম তথা পাহাৰীয়া জিলা কাৰ্বিভূমিৰ জলবায়ু সেমেকা হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জলবায়ুত বিভিন্ন ৰোগে দেখা দিয়ে আৰু তেনেদৰে ইয়াৰ প্ৰতিকাৰৰ বাবে পৰ্বত-ভৈয়ামত পোৱা বিভিন্ন তৰু-তৃণক লোক ঔষধ হিচাপে ব্যৱহাৰ কৰি আহিছে। আনহাতে পাহাৰীয়া কাৰ্বিসকলৰ মাজত প্ৰচলিত থলুৱা খাদ্যাভাসেও বিভিন্ন ৰোগ নিৰাময় কৰাত সহায় কৰি আহিছে। মানুহ জন্মৰ পৰা মৃত্যু পৰ্যন্ত বিভিন্ন ৰোগৰ চিকাৰ হয়। এনে বেমাৰৰ পৰা ৰক্ষা পাবলৈ পাহাৰীয়া কাৰ্বিসকলেও বিভিন্ন গছ-গছনি, তৰু-তৃণ, তন্ত্ৰ-মন্ত্ৰ, পূজা-পাতল আদিৰ আশ্ৰয় লৈ আহিছে । এই পাহাৰীয়া কাৰ্বিসকলে যিদৰে বন দৰৱৰ ওপৰত বিশ্বাস ৰাখি আহিছে ঠিক সেইদৰে ভূত-প্ৰেত, অপদেৱতা আদিৰ প্ৰতি তেওঁলোকৰ ভয় প্ৰাচীন কালৰে পৰা চলি আহিছে। মন্ত্ৰৰ যোগেদি সৃষ্টি হোৱা স্পন্দন শক্তিয়ে ৰোগীৰ মানসিকত ◌ত সৃষ্টি কৰা চাপে এনেধৰণৰ ভয় আঁতৰ কৰাত সহায় কৰে। মন্ত্ৰই ৰোগীৰ মানসিক স্তৰ বিকশিত কৰে আৰু লোক ঔষধৰ প্ৰয়োগে শৰীৰ ক্ৰমান্বয়ে আৰোগ্য হোৱাত সহায় কৰে। গতিকে দেখা যায় যে, লোক সমাজত যুগ যুগ ধৰি প্ৰচলিত লোকবিশ্বাসৰ অন্তৰালত লুকাই থকা চিকিৎসা পদ্ধতিৰ সৈতে তেওঁলোকৰ পৰম্পৰাগত ঐতিহ্য আৰু গভীৰ বিশ্বাসো জড়িত হৈ আছে। এনেদৰে অসমৰ অন্য জাতি-জনজাতিসকলৰ দৰে পাহাৰীয়া কাৰ্বিসকলেও এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ এই ঔষধ পাতি তন্ত্ৰ-মন্ত্ৰ আদি ধাৰণাবোৰ বিয়পাই আহিছে তথা সংৰক্ষণ আৰু সুৰক্ষিত কৰিবলৈ প্ৰয়াস কৰিছে।

**Keywords:** কাৰ্বি, পৰম্পৰা, লোক চিকিৎসা, লোক ঔষধ,

## Introduction

জাতি একোটাৰ সামাজিক, লোকবিশ্বাস, শিল্পকলা, ধৰ্মীয় ৰীতি-নীতি, তন্ত্ৰ-মন্ত্ৰ, সাধুকথা আদি দিশবোৰ জাতিটোৰ সাহিত্য আৰু সংস্কৃতিৰ জৰিয়তে উদ্ভাসিত হয়। তেনেদৰে একোটা জাতিৰ ঐতিহ্য-পৰম্পৰা, জীৱনচৰ্যা ইত্যাদি দিশবোৰ উদ্ভাসিত কৰি লোক-সংস্কৃতিয়ে মানৱ সমাজত জাতিটোক স্থায়িত্ব প্ৰদান কৰে। গীত-পদ তথা তন্ত্ৰ-মন্ত্ৰ লোক-বিশ্বাস আদিয়ে মানুহৰ অন্তৰ্নিহিত সামাজিক আচৰণ, আৱেগ-অনুভূতি সু-সংহত ৰূপে বৰ্হিপ্ৰকাশ ঘটাই বাবে লোক-সংস্কৃতিক মানৱ সমাজৰ নান্দনিক চিন্তা-চৰ্চাৰ ফলশ্ৰুতি বুলিব পাৰি।

অসমৰ আন আন প্ৰাচীন জনগোষ্ঠীসকলৰ ভিতৰত কাৰ্বিসকল অন্যতম নৃ-তাত্ত্বিক দিশৰ পৰা তেওঁলোক মংগোলীয় আৰু ভাষাতাত্ত্বিক দিশৰ পৰা তিব্বত-বৰ্মীয়। কিন্তু তেওঁলোকৰ মাজত প্ৰচলিত লোকগীত, লোককাহিনীসমূহত তেওঁলোকে নিজকে তিব্বত-বৰ্মীয় ভাষাগোষ্ঠীৰ কুকি-চীন

শাখাৰ অন্তৰ্গত বুলিহে উল্লেখ কৰিছে। অতীতৰে পৰা তেওঁলোকে পৰ্বত-পাহাৰত বসবাস কৰি আহিছে। পাহাৰত তেওঁলোকে বন কাটি ঝুম খেতি কৰি পেট প্ৰৰ্বতাইছিল আৰু লগতে চিকাৰ কৰি ভাল পাইছিল। এনেদৰে চিকাৰ কৰি ফুৰোঁতে কেতিয়াবা কিবা জীৱ-জন্তু বা পোক-পৰুৱাই কামুৰিলে বা কৰবাত আঘাত পালে থোৰতে লগাব পৰা বন দৰৱ তেওঁলোকে নিজে হাবিৰ পৰা আৱিস্কাৰ কৰি লৈছিল। ইয়াৰ পৰা বুজা যায় যে, প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্ক ওতঃপ্ৰোত।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্বঃ**

আমাৰ ভাৰতীয় সমাজত পূৰ্বৰ পৰাই কিছুমান ৰোগ চিকিৎসাৰ বাবে প্ৰাকৃতিক লোক চিকিৎসা পদ্ধতি অনুসৰণ কৰা দেখা গৈছে। আধুনিক সমাজত তাৎক্ষণিক ৰোগ নিৰাময়ৰ কাৰণে এলোপেথি চিকিৎসা পদ্ধতিৰহে বহুল প্ৰয়োগ দেখা গৈছে। যাৰ দৰৱবোৰ ব্যৱহাৰৰ জৰিয়তে ঔষধৰ কোনো পাৰ্শ্বক্ৰিয়া নাথাকে আৰু দীৰ্ঘস্থায়ী হিচাপে ৰোগ নিৰাময় হয়। আনহাতে তন্ত্ৰ-মন্ত্ৰৰ প্ৰয়োগৰ দ্বাৰা মানুহৰ ধৰ্যশক্তি বৃদ্ধিৰ লগতে মানসিক স্থিৰতা বৃদ্ধি কৰে আৰু ৰোগ মুক্ত হোৱাত সহায় কৰে। এনে দিশসমূহ বিশ্লেষণ কৰাৰ উদ্দেশ্য আগত ৰাখি বিষয়টো দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ পদ্ধতি:**

পত্ৰিকাখন প্ৰস্তুত কৰোঁতে মূলত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। আনহাতে প্ৰয়োজন সাপেক্ষে বৰ্ণনাত্মক পদ্ধতিও প্ৰয়োগ কৰা হৈছে।

**বিষয়ৰ আলোচনাঃ**

তাহানি কালৰ পৰা মানুহৰ মাজত পৰম্পৰাগত ভাৱে চলি অহা চিকিৎসা পদ্ধতিৰ নামেই লোক চিকিৎসা পদ্ধতি। ভাৰতবৰ্ষ তথা অসমৰ সকলো জাতি-জনজাতিৰ দৰে পাহাৰীয়া কাৰ্বিসকলেও এনে চিকিৎসা পদ্ধতিৰ ওপৰত গভীৰ বিশ্বাস ৰাখি আহিছে। এনেধৰণৰ চিকিৎসা পদ্ধতিক সাধাৰণভাৱে আমি দুটা ভাগত ভগাব পাৰোঁ-

(ক) প্ৰাকৃতিক লোক চিকিৎসা পদ্ধতি আৰু

(খ) যাদুমন্ত্ৰ ভিত্তিক ধৰ্মীয় লোক চিকিৎসা।

প্ৰাকৃতিক জগতৰ পৰা ঘৰুৱাভাৱে সংগৃহীত দ্ৰব্যৰ আধাৰত যাক আমি বনৌষধ বুলি কও ইয়াৰ দ্বাৰা গাঁৱৰ তথা পাহাৰৰ বেজ বা ওজাই কৰা চিকিৎসা পদ্ধতিেই হ'ল প্ৰাকৃতিক লোক চিকিৎসা পদ্ধতি। ঔষধৰ ভিন্নতা অনুসৰি লোক চিকিৎসাক পুনৰ দুটা ভাগত বিভক্ত কৰিব পাৰি-

(ক) খোৱা ঔষধ

(খ) নোখোৱা ঔষধ।

পাহাৰীয়া কাৰ্বিসকলে বিভিন্ন সময়ত বনৌষধি আৰু অনান্য ভেষজ দ্ৰব্যৰ দ্বাৰা শৰীৰ ৰোগ আৰোগ্য কৰিছিল। সাধাৰণতে পাহাৰত বসবাস কৰা বাবে ওচৰৰ হাবিত পোৱা বনৰীয়া উদ্ভিদৰ ৰস, কাঠ, চূৰ্ণ, গছৰ বাকলি, শিপা আদি বিভিন্ন ৰোগত প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰিছিল। আনহাতে, কিছুমান ঔষধ শৰীৰত ঘঁহা মালিচ কৰা, প্ৰলেপ লগোৱা, আৰি লোৱা, জৰা-ফুকা আদি বিভিন্নধৰণে ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে- পাহাৰীয়া কাৰ্বি সকলে বিভিন্ন বেমাৰত খোৱা বনদৰৰ সমূহ এনেধৰণৰ-

ক) কেতিয়াবা পানীলগা জ্বৰ, কাহ-চৰ্দি হ'লে আদা আৰু মৌজোল খুৱায়। লগত কেতিয়াবা তুলসী পাতো দিয়ে। আনহাতে, কিছুমানে সাধাৰণতে ডাঙৰ মানুহে জালুক দিয়া চাহ খায়। তেতিয়া এই কাহ-চৰ্দি, জ্বৰৰ পৰা যথেষ্ট উপশম লাভ কৰিব পাৰি।

খ) পেট চলা বেমাৰ হ'লে হানথু নামৰ এবিধ গছৰ পাত ৰান্ধি তৰকাৰি খায়। আনহাতে ৰক্ত পৰিষ্কাৰৰ ক্ষেত্ৰতো ই উপকাৰী।

গ) ল'ৰা-ছোৱালীৰ কৃমি নাশ কৰিবলৈ লপং (বগা তুলসী) প্ৰায় মাছৰ লগত ৰান্ধি খোৱায়।

ঘ) উচ্চ ৰক্তচাপত ভোগা ৰোগীসকলক ফাৰপ্লোং (নেফাফু) গছৰ পাত পানীত সিঁজাই খুৱায়। আনহাতে, তেওঁামৰা বা হানছেৰং ৰান্ধিও খোওৱা হয়। এই হানছেৰং কাৰ্বিসকলৰ ভাতৰ লগত খোৱা এবিধ প্ৰিয় খাদ্য যাক পাহাৰীয়া কাৰ্বিসকলৰ জাতীয় খাদ্য বুলি ক'লেও ভুল নহ'ব।

ঙ) পেটৰ বিষ হ'লে বাক্লেহু (তিতা বাহক)ৰ পাত ৰান্ধি খায়।

চ) ডিঙিত মাছৰ কাইট্‌টু লাগিলে শুকান ভাত লাডু কৰি খাবলৈ দিয়া হয় আৰু যদি ঘৰত পকা কল থাকে তেনেহ'লে তাক খাবলৈ দিয়া হয়।

ছ) ল'ৰা-ছোৱালীৰ বমি হ'লে পদিনাৰ পাতৰ ৰস খাবলৈ দিয়া হয়।

জ) এলাৰ্জি হ'লে কেঁচা হালধি পিহি তাৰ ৰস খাবলৈ দিয়া হয়।

ঝ) বসন্ত ৰোগ হ'লে প্লিমপ্লাম (ঔ টেঙা) ৰান্ধি খুৱায়।

ঞ) গেছ হ'লে অমিতা ৰান্ধি খায় আৰু থিলো (আমলক্ষি) চোবাই খায়।

ইয়াৰ বাহিৰেও আৰু বিভিন্ন বনদৰৱ তেওঁলোকে বিভিন্ন কী-পতংগ কামুৰিলে বা কিবা জন্তুৱে কামুৰিলে প্ৰলেপ হিচাপে ব্যৱহাৰ কৰে। সেইবোৰ এনেধৰণৰ-

ক) কুকুৰে কামুৰিলে প্ৰথমে তেওঁলোকে কামুৰা ঠাইত ক'লা জালুক খুন্ধি লেপন দিয়ে। ইয়াৰ পিছত মিৰ্হেৰায় নামৰ এবিধ বগা ফুলৰ গছ আনি খুন্দি লেপন দিয়া হয়।

খ) ডিঙিত মাছৰ কাঁইট লাগিলে লুমপ্লাক (কাঠৰ হেতা) ডিঙিত পাঁচবাৰ বা সাতবাৰ লগাই দিয়ে। এনে কৰিলে ডিঙিৰ কাঁইট সহজে গুছি যায় বুলি পাহাৰীয়া কাৰ্বিসকলে বিশ্বাস কৰে।

গ) বিচাই ডাকিলে মুখেৰে আৰৈ চাউল চুৱায় ঘঁহি দিয়ে নাইবা মিঠাতেল আৰু সৰা চুলি লগাই দিয়া হয়।

ঘ) মৌ বা বৰলে বিন্ধিলে হানছেৰঙৰ পাত খুন্দি লেপন দিয়ে আৰু কেতিয়াবা বিৰিক্ মানে ফিৰিঙি জলকীয়াৰ পাত খুন্দিও লেপন দিয়া হয়।

ঙ) সাপে কামোৰিলে ৰুইদকছ'ৰ (মিঠা আলু) পাত খুন্দি প্ৰলেপ দিয়া হয়। আনহাতে, নহৰু খুন্দি সাপে কামোৰা ঠাইত প্ৰলেপ দিয়াও দেখা যায়।

চ) দাঁতৰ বিষ হ'লে সেই ঠাইত নহৰু খুন্দি প্ৰলেপ দিয়া হয়।

ছ) গাহৰিয়ে কামোৰিলে বিথিফাকনু (পান জাতীয় লতা) পিহি কামুৰা ঠাইত লেপন দিয়ে।

জ) ভেকুলীয়ে কামোৰিলে লপং পাত খুন্দি prলেপ দিয়া হয়।

ঝ) জোকে কামোৰিলে সেই ঠাইত থাৰ্মিত (কেঁচা হালধি) প্ৰলেপ দিয়া হয়।

ঞ) কেতিয়াবা মাছে বিন্ধিলে তেহ (আদা জাতীয় সুগন্ধি মছলা) খুন্দি লেপন দিয়া হয়।

ট) বিষাক্ত কীট-পতংগই কামোৰিলে ছুৱাত নামৰ ৰঙা লতা এবিধ পিহি লেপন দিয়া হয়।

ঠ) জুইয়ে পুৰিলে সেই ঠাইত কেঁচা হালধি পিহি লেপন দিয়া হয় আৰু হাড় জোৰা দিয়া লতা পিহিও লেপন দিয়া হয়।

ড) কটা ঘাত বাবধাই (বিষহৰি) পাত লগোৱা হয়।

ঢ) হাত-ভৰি মুচুকা খালে উলোটাকৈ জন্ম লোৱা মানুহৰ হাতেৰে তেল মালিচ কৰোৱা হয়।

**যাদুমন্ত্ৰ ভিত্তিক ধৰ্মীয় লোক চিকিৎসা:**

প্ৰাচীন কালৰে পৰাই মানুহৰ ৰোগ আৰোগ্যৰ বাবে বিবিধ প্ৰাকৃতিক ঔষধৰ লগতে নানাবিধ পূজা-পাতলে আৰু অলৌকিক বিশ্বাসে প্ৰাধান্য লাভ কৰিছে। ভাৰতীয় চিকিৎসা

বিজ্ঞানত নিৰোগী আৰু দীৰ্ঘজীৱন যাপন কৰিবৰ কাৰণে শাৰীৰিক আৰু মানসিক চিকিৎসাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অসম তথা ভাৰতবৰ্ষৰ আন আন মন্ত্ৰ চিকিৎসাৰ দৰে কাৰ্বিসকলেও তন্ত্ৰ-মন্ত্ৰ বা মায়াবিদ্যাৰ ওপৰত অগাধ বিশ্বাস ৰাখি আহিছে। পাহাৰৰ কাৰ্বি লোকসকলে মন্ত্ৰৰ এক অলৌকিক শক্তি আছে বুলি বিশ্বাস কৰে। ইয়াৰ শুদ্ধ উচ্চাৰণ হ'লেহে ই ৰোগ আৰোগ্য কৰাত সহায় কৰে বুলি বিশ্বাস কৰা হয়। সেয়েহে মন্ত্ৰৰ শুদ্ধ মিলাবলৈ কেতিয়াবা অৰ্থ নথকা দুই এটা শব্দও প্ৰয়োগ কৰা হয়। ঘৰৰ মানুহৰ মঙ্গল কামনা কৰি এনেধৰণৰ মন্ত্ৰ পোৱা যায়।

'অই পিথে অই প'থে
পি মুক্ৰাং প' মুক্ৰাং
হেম আৰি, হেম আক্লং
পি চিন্থং প' চিন্থা
থং বুইদি thং বুহদা
ৰা কুন্তা ছা কুন্তা
ফুৰেং কাৰ্ল ফুৰো, কাচু
আৰজু লামেং, আৰজু ৰ'হাং'

এই মন্ত্ৰবোৰ মাথোন কাৰ্বি ধৰ্ম-সংস্কৃতিৰে সম্পদ নহয়, এইবোৰ কাৰ্বি লোক সাহিত্যৰে সম্পদ নহয়, এইবোৰ কাৰ্বি লোক সাহিত্যৰো অমূল্য সম্পদ। মন্ত্ৰই মানুহৰ মনত ধনাত্মক মানসিকতাৰ সৃষ্টি কৰাৰ লগতে শাৰীৰিক ভাবে অসুস্থ অৱস্থাত মানসিক শক্তিৰ যোগান ধৰি ক্ৰমে আৰোগ্য লাভৰ সম্ভৱ হৈ উঠে। সেয়ে বিভিন্ন ধৰণৰ মনোৰোগ চিকিৎসাত তন্ত্ৰ-মন্ত্ৰই প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। গতিকে ভাল মন আৰু ভাল চিন্তাই সকলো কাৰ্য ধনাত্মক দিশলৈ অগ্ৰসৰ হোৱাত সহায় কৰে।

**উপসংহাৰ:**

বৈদিক যুগৰে পৰাই মৌখিক ৰূপত বন দৰৱ তথা মন্ত্ৰই বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইয়াৰ দ্বাৰা মৌখিক পৰম্পৰা ৰক্ষা হোৱাৰ উপৰিও বিভিন্ন ৰোগৰ পৰা মানুহে মুক্ত হৈ সুস্থ জীৱন-যাপন কৰিব পাৰিছে।

**References**


1. বৰুৱা, বিৰিঞ্চি কুমাৰ: অসমীয়া কথা সাহিত্য, পুৰণি ভাগ।
2. দাস, হীৰেন, বাগ্লাৰী মালবিকা: অসমৰ নৃগোষ্ঠীয় সংস্কৃতি।
3. দাস, বসন্ত, ছিংনাৰ অজিত: কাৰ্বি সংস্কৃতিৰ ইতিহাস।
4. গুণেন্দ্ৰনাথ পণ্ডিত: শৈৱদৰ্শন আৰু সাহিত্যৰ পটভূমি, য় সংস্কৰণ, 1998।
5. পৰীক্ষিত হাজৰিকা: চৰ্যাপদ, য় সংস্কৰণ, 1987।
6. প্ৰফুল্ল কুমাৰ নাথ: অসমৰ নাথ সম্প্ৰদায়ৰ সংস্কৃতি, 2013।
7. মহেশ্বৰ নেওগ: পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, 1985, 4 সংস্কৰণ।
8. যতীন্দ্ৰনাথ গোস্বামী: অসমীয়া সাহিত্যৰ ৰূপৰেখা, 1970।
9. শশী শৰ্মা: অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী, 1986।
10. হেমচন্দ্ৰ গোস্বামী (সম্পা): কামৰত্ন তন্ত্ৰ, 1928।
11. হৰিনাথ শৰ্মাদলৈ: অসমৰ শাক্তধৰ্ম আৰু শাক্ত সাহিত্য, ৰম সংস্কৰণ, 1983।